# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 29-06-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ধাৰাপুৰ তালুক সভাঘৰৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি, ৰাজ্য চৰকাৰে আছুতীয়া পুঁজিৰ পৰা আগবঢ়োৱা ৬০ লাখ টকাৰে সভাঘৰটোৰ নিৰ্মাণৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ইপিনে আজি কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী শিৱসাগৰলৈ যাব। তেওঁ পোনে পোনে শিৱসাগৰ নগৰৰ ঐতিহাসিক ৰংঘৰত উপস্থিত হৈ ৰংঘৰৰ প্ৰস্তাৱিত অত্যাধুনিক প্ৰকল্পৰ প্ৰস্তুতি সম্পৰ্কে বুজ লোৱাৰ লগতে কৃত্ৰিম বানৰ উৎপত্তি আৰু সমাধান সন্দৰ্ভতো পৰ্যবেক্ষণ কৰিব। ইয়াৰ পাছত তেওঁ অ' এন জি চিৰ তৈলখাদৰ বিস্ফোৰণ সংঘটিত হোৱা ভটিয়াপাৰলৈ ৰাওনা হ'ব। তেওঁ ভটিয়াপাৰৰ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে আলোচনাত মিলিত হৈ অভাৱ-অভিযোগৰ বুজ ল'ব। ইয়াৰ পাছত তেওঁ হাৰমতিগড় আৰু গৌৰীসাগৰৰ চাৰিলেনযুক্ত পথ সংযোগী নৱনিৰ্মিত দলঙৰ বাবে প্ৰয়োজনীয় পথৰ সমস্যাৰ বুজ ল'ব। তেওঁ ২ কিলোমিটাৰ নিলগৰ শ্ৰীপুৰীয়া ঘাটৰ দিখৌ নদীৰ ঘাটত নিৰ্মাণ কৰা পকী দলং উদ্বোধন কৰিব। ইয়াৰ পাছত তেওঁ ডিব্ৰুগড় জিলাৰ মৰাণত নিৰ্মাণ হৈ থকা বিমানৰ জৰুৰীকালীন অৱতৰণৰ সুবিধা পৰিদৰ্শন কৰিবলৈ ৰাওনা হ'ব। উল্লেখযোগ্য যে মৰাণৰ জাতীয়নী গাঁৱত প্ৰায় ১৫০ কোটি টকা ব্যয় সাপেক্ষ জৰুৰীকালীন অৱতৰণ সুবিধা চমুকৈ ই এল এফ নিৰ্মাণ কৰি থকা হৈছে। যুদ্ধবিমান ৰাফেল, মিগ, তেজশ আদিকে ধৰি সামৰিক বিমান অৱতৰণ আৰু উৰণৰ আৰ্হিৰে এই ই এল এফ নিৰ্মাণ কৰা হৈছে। জৰুৰীকালীন সময়ৰ বাদে এই পথটো সাধাৰণ বাহন চলাচলৰ বাবে নিয়মীয়া ঘাইপথ হিচাপে ব্যৱহাৰ কৰা হ'ব। উত্তৰ-পূৰ্বাঞ্চলত দেশৰ জৰুৰীকালীন সময়ত প্ৰতিৰক্ষা বৃদ্ধিৰ ক্ষেত্ৰত এই ই এল এফে আত্মনিৰ্ভৰশীল ভাৰতৰ লগতে শক্তি বৃদ্ধিত অভূতপূৰ্ব অৰিহনা যোগাব বুলি আশা কৰা হৈছে।

০০০০

বিদ্যালয় শিক্ষা বিভাগে শাৰদীয় দুৰ্গাপূজাৰ সময়ত ১২ হাজাৰৰো অধিক শিক্ষক পদত নিযুক্তি দিব। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কথা প্ৰকাশ কৰিছে। শিক্ষক পদ পুৰণৰ বাবে অৰ্হতা সম্পন্ন প্ৰাৰ্থীৰ বাচনি প্ৰক্ৰিয়া চলি আছে। এই অনুসৰি পহিলা জুলাইৰ পৰা মাধ্যমিক পৰ্যায়ত খালী হৈ থকা সাত হাজাৰ ৫৮৮ টা শিক্ষক পদ পুৰণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ডিব্ৰুগড়, যোৰহাট, কাছাৰ, নগাঁও, কামৰূপ মহানগৰ আৰু বঙাইগাঁও জিলাত নিযুক্ত হ'বলগীয়া এই স্নাতক শিক্ষকৰ পদসমূহ পুৰণৰ বাবে ছটা মণ্ডলত প্ৰাৰ্থীৰ নথিপত্ৰ পৰীক্ষণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ দ্বাৰা পৰিচালিত হ'বলগা এই বাচনি প্ৰক্ৰিয়া সন্দৰ্ভত শিক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে স্নাতক শিক্ষকৰ বাবে মুঠ সাত হাজাৰ ৫৮৮ টা পদৰ বাবে আবেদন বিচৰা হৈছিল আৰু এই পদৰ বাবে ছহেজাৰ ২৩৬ গৰাকী প্ৰাৰ্থীৰ আবেদন যোগ্য বিবেচিত হৈছে। বাকী এহেজাৰ ৩৫২ টা পদৰ বাবে পৰৱৰ্তী সময়ত বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ৰাজ্যৰ বিভিন্ন বিদ্যালয়ত খালী হৈ থকা স্নাতকোত্তৰ শিক্ষকৰ এহেজাৰ ৪৮৭ টা পদৰ বাবে নথি পৰীক্ষণ সম্পূৰ্ণ হোৱাৰ পাছতো খালী হৈ ৰ'বলগীয়া ২৩০টা পদ সন্দৰ্ভত ডাঃ পেগুৱে এই পদসমূহৰ বাবেও শীঘ্ৰে বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি মন্তব্য কৰে।

০০০০

আজি ৰাষ্ট্ৰীয় পৰিসংখ্যা দিৱস। পৰিসংখ্যা আৰু অৰ্থনৈতিক পৰিকল্পনাৰ বাটকটীয়া অধ্যাপক প্ৰশান্ত চন্দ্ৰ মহালান'বিছৰ জয়ন্তী উপলক্ষে প্ৰতিবছৰে এই দিৱস উদযাপন কৰি অহা হৈছে। এই বৰ্ষত ৭৫ বছৰীয়া ৰাষ্ট্ৰীয় নমুনা জৰীপ বিষয়বস্তুৰে এই দিৱস উদযাপন কৰা হ'ব। এই দিৱস উপলক্ষে নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী ৰাও ইন্দ্ৰজিৎ সিঙৰ উপস্থিতিত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

০০০০

তামুলপুৰত জিলা প্ৰশাসনৰ উদ্যোগত আজি ৰান ফৰ হেপিনেছ  শীৰ্ষক মাৰাথন দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ভাৰত-ভূটান সীমান্তৰ দৰঙামেলাত আয়োজিত এই কাৰ্যসূচীত ২১ কিলোমিটাৰ দূৰত্বৰ পথ সামৰি মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। নিচামুক্ত সমাজ গঢ়াৰ লক্ষ্য আৰু পথ সুৰক্ষা সজাগতাৰ উদ্দেশ্যৰে আয়োজন কৰা এই প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দুশৰো অধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে।

তামুলপুৰ জিলাৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তী, জ্যেষ্ঠ আৰক্ষী অধীক্ষক দিগন্ত চৌধুৰী আৰু তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে ফ্লেগ অফ কৰি শুভাৰম্ভ কৰা এই অনুষ্ঠানটোত আন বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে বুলি আকাশবাণীৰ তামুলপুৰৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই আজি বদৰপুৰ-লামডিং অংশৰ জাতিংগা-লামপৰু ষ্টে চনৰ মাজেৰে কেইবাখনো ৰে'ল চলাচল কৰোৱাৰ পৰিকল্পনা কৰিছে। প্ৰথম অৱস্থাত মালবাহী ৰে'ল চলাই ট্ৰেকৰ সবিশেষ পৰীক্ষা কৰি উঠাৰ পাছত যাত্ৰীবাহী ৰে'ল চলোৱা হ'ব। উল্লেখযোগ্য যে এই অঞ্চলটোত ভূমিস্খলনৰ ফলত জমা শিল, মাটি আঁতৰোৱাৰ কাম সম্পূৰ্ণ কৰাৰ পাছত উত্তৰ-পূব সীমান্ত ৰে'লৱেই ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জানিবলৈ দিছে। ছদিনৰ বিৰতিৰ মূৰত এই পাহাৰীয়া লাইনটো পুনৰ কাৰ্যক্ষম হৈ উঠাৰ ফলত কালি পুৱা শিয়ালদহৰ পৰা শিলচৰ-কাঞ্চনজংঘা এক্সপ্ৰেছ ৰাওনা হৈছে আৰু আজি এই পাহাৰীয়া ৰে'লপথছোৱা অতিক্ৰম কৰিব। ৰে'লপথছোৱা মুকলি কৰাৰ পাছত এই এলেকাৰ মাজেৰে পাৰ হৈ যাবলগীয়া কাঞ্চনজংঘা এক্সপ্ৰেছ হ'ব প্ৰথমখন যাত্ৰীবাহী ৰে'ল। যোৱা ২৩ জুনৰ পৰা ভূমিস্খলনৰ বাবে এই লাইনেৰে সকলো ধৰণৰ ৰে'ল চলাচল বন্ধ হৈ আছিল। ইয়াৰ ফলত ডিমা হাছাও আৰু বৰাক উপত্যকাৰ লগতে ত্ৰিপুৰা, মিজোৰাম আৰু মণিপুৰৰ সৈতেও ৰে'ল যোগাযোগ বিচ্ছিন্ন হৈ আছিল। অৱশ্যে এই পথছোৱাৰে আজিৰ দিনটোত দুখন বা তিনিখন ৰে'ল চলাচল কৰাৰ পৰিৱৰ্তে অধিকাংশ ৰে'লৰ যাত্ৰা বাতিল কৰা হৈছে। আজি নিশা ১০ বাজি ৪০ মিনিটত শিলচৰৰ পৰা ৰঙিয়া অভিমুখে যাত্ৰা কৰিবলগীয়া ৰে'লখন কাইলৈ পুৱা ৫ বজাত ৰাওনা হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

....................................